RNI Regn. No- ASSASS/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

যোৰহাট সংস্কৰণ মুঠ পৃষ্ঠা ১২

৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ১৬৯ মঙলবাৰ ২১ ব'হাগ ১৯৪৮ শক ৫ মে' ২০২৬ চন ASOMIYA KHABAR JORHAT TUES

জেপিৰ ৮২খন, মিত্ৰদ

মৰ্যাদাও ঃ দুখনকৈ

কৰাহে তৃতীয়বা

শত



# কানৈ মহাবিদ্যালয়ত বিচিপিএল, ইউনিয়ন বেংকৰ উদ্যোগত কেৰিয়াৰ কাউঞ্চেলিং

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ মে' ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ত হিন্দী বিষয়ক এক মননশীল কেৰিয়াৰ কাউঞ্চেলিং কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। কাৰ্যসূচীটো বি চি পি এল-ৰ উদ্যোগত, কানৈ মহাবিদ্যালয়ৰ হিন্দী বিভাগ আৰু আই চি জি পি চিৰ সহযোগত আয়োজিত অনুষ্ঠানটিত ইউনিয়ন বেংক অব ইণ্ডিয়া আৰু কেন্দ্ৰীয় বিদ্যালয়, ডিব্ৰুগড়েও বিশেষ সহযোগ আগবঢ়ায়। অনুষ্ঠানটো সঞ্চালনা কৰে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডৰ হিন্দী বিষয়া মৃগাক্ষী শৰ্মাই। অনুষ্ঠানটিত উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰদান কৰি অধ্যক্ষগৰাকীয়ে কয় ঃ হিন্দী বিষয় অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দেশ-বিদেশত বিভিন্ন কেৰিয়াৰৰ সুযোগ আছে। অধ্যক্ষগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় পাঠ্যক্ৰমসমূহো বৰ্তমানৰ উদীয়মান কেৰিয়াৰৰ বিকল্প হিচাপে গুৰুত্ব আৰোপ কৰে। উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে স্নাতক স্তৰত হিন্দী বিষয়ৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি আধুনিক ভাৰতীয় ভাষা ব্যৱস্থাৰ সৈতে জড়িত কিছুমান সমস্যাৰ কথাও উল্লেখ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সঠিক দিশ নিৰ্দেশনা দিয়াৰ বাবে বিদ্যালয় স্তৰতে কেৰিয়াৰ কাউঞ্চেলিং আৰম্ভ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। কাৰ্যসূচীত বিভিন্ন বিশেষজ্ঞ বক্তাৰ উপস্থাপনাই অনুষ্ঠানটো সমৃদ্ধ কৰে। অনুষ্ঠানত জ্যেষ্ঠ প্ৰবন্ধক (ৰাজভাষা) বিক্ৰান্ত কুমাৰ, মুখ্য প্ৰবন্ধক ইউনিয়ন বেংক অব ইণ্ডিয়াৰ সৌম্য ৰঞ্জন বিচৱাল, শিক্ষক ওম প্ৰকাশ, অধ্যাপিকা ড° লখিমা দেউৰী, মুখ্য প্ৰবন্ধক (নিৰাপত্তা) বি চি পি এলৰ মৃণাল ঠাকুৰে কেৰিয়াৰ কাউঞ্চেলিঙৰ ওপৰত বিষদ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, হিন্দী আৰু অন্যান্য বিষয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে কেন্দ্ৰীয় বিদ্যালয়, ডিব্ৰুগড়ৰ ছাত্ৰ-ছাত্ৰীসকলেও সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি এক মত-বিনিময় কাৰ্যসূচীও অনুষ্ঠিত হয়।

## নেইষ্টৰ অৱসৰী

যোৰহাট, ৪ মে' ঃ যোৰহাটৰ চাৰিঙীয়া গাঁৱৰ নিবাসী, উত্তৰ পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত কাৰিকৰী বিষয়া, সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি দেবেশ্বৰ বৰা (৮৪)ৰ কালি পুৱা নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। যোৰহাট আঞ্চলিক

তেজেন

## পশ্চিম যোৰহাট

